# 2020

## ASSAMESE

( Major )

Paper : 6.1

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) প্ৰথম অসমীয়া ঐতিহাসিক নাটকখনৰ নাম কি?

(খ) 'কুকুৰীকণাৰ আঠমঙ্গলা' নাটকখন কাৰ ৰচনা?

(গ) পৌৰাণিক কাহিনীৰ আধাৰত ৰচিত জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটকখনৰ নাম লিখা।

(ঘ) পিয়লি বৰুৱাৰ গাত তপত লোহা লগাই শাস্তি দিয়া দাৰোগাগৰাকী কোন আছিল?

(ঙ) 'হেংদাং' নাটকৰ নামৰূপীয়া ৰজাজনৰ নাম কি আছিল?

(চ) মণিমুঞ্চই ৰুকমী ৰাজ্য পুৰি চাৰখাৰ কৰা বুলি ৰুকমী ৰজাক কোনে খবৰ দিছিল?

(ছ) তুৰ্বকৰ জীয়ৰীগৰাকীৰ নাম কি আছিল?

২ । চমুকৈ উত্তৰ দিয়া : ২×৪=৮

(ক) অসমীয়া সাহিত্যৰ এখন এবচার্ডধর্মী নাটকৰ নাম নাট্যকাৰসহ উল্লেখ কৰা ।

(খ) 'কপালীম' নাটকত ৰূকমী জাতিৰ পৰিচয় নাট্যকাৰে কি বুলি উল্লেখ কৰিছে? এই জাতিৰ সভ্যতা ভাৰতবৰ্ষৰ কোনখন ৰাজ্যৰ লগত ৰিজাব পাৰি বুলি কোৱা হৈছে?

(গ) "তুমি সাপৰ গাঁতত হাত সুমুৱাইছা । তোমাকো সাৱধান কৰি দিলো ।" উক্ত কথাষাৰ কোনে, কাৰ আগত ব্যক্ত কৰিছে?

(ঘ) 'হেংদাং' নাটকত বুৰঞ্জী-প্ৰসিদ্ধ কোন দুখন ৰণৰ ঘটনাই স্থান লাভ কৰিছে?

৩ । যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা ধেমেলীয়া নাটৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা ।

(খ) "ঢোল বজাবৰ হ'ল! কোনে বজাব?? অসমীয়াই?? আজিৰ অসমীয়াৰ কঁকাল চিঞা পৰিছে—টঙালি সুলকি যায়—চুৰিয়া পিন্ধিব নেজানে—ৰণ কৰিবলৈ গৈ পোন্ধ সুলকি যায় ।" 'হেংদাং' নাটত এই কথাষাৰ মূলাগাভৰুৱে কি প্ৰসংগত উল্লেখ কৰিছে, বৰ্ণনা কৰা ।

(গ) মণিৰাম দেৱানক ফুলকুমাৰীয়ে কিদৰে সহায় আগবঢ়াইছিল, বুজাই লিখা ।

(ঘ) 'কপালীম' নাটকত চিত্ৰিত তোমাৰ ভাল লগা চৰিত্ৰটো কি? কাৰণ দৰ্শাই চমুকৈ আলোচনা কৰা ।

(ঙ) 'বুৰঞ্জীমূলক নাটক' সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা ।





৪ । যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) স্বাধীনোত্তৰ কালৰ অসমীয়া নাটকৰ বিষয়বস্তু আৰু কলাকৌশল সম্পৰ্কে এটি আলোচনা প্ৰস্তুত কৰা ।

(খ) 'কপালীম' নাটকত বিদেশী নাটকৰ প্ৰভাৱ সম্পৰ্কে বহলাই আলোচনা কৰা ।

(গ) 'মণিৰাম দেৱান' নাটৰ ভাষা আৰু সংলাপ সম্বন্ধে এটি আলোচনা যুগুত কৰা ।

(ঘ) 'হেংদাং' নাটকত সমকালীন সমাজ জীৱনৰ চিত্ৰ কিদৰে প্ৰতিফলিত হৈছে, উদাহৰণসহ বিশ্লেষণ কৰা ।

(ঙ) অসমীয়া নাট্যজগতত জ্যোতিপ্ৰসাদ আগৰৱালাৰ বৰঙণিৰ বিষয়ে এটি পৰ্যালোচনা আগবঢ়োৱা ।

(চ) 'মণিৰাম দেৱান' নাটকৰ মাজেৰে মণিৰাম দেৱান আৰু পিয়লি বৰুৱাৰ দেশপ্ৰেমৰ চানেকি নাট্যকাৰে কিদৰে ফুটাই তুলিছে, বহলাই আলোচনা কৰা ।

★★★